উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰত নিষিদ্ধ সংগঠনৰ KYKL আৰু KCPৰ সৈতে জড়িত তিনিজনক গ্ৰেপ্তাৰ

মণিপুৰৰ ইম্ফল পশ্চিম আৰু ইম্ফল পূব জিলাত পৃথক অভিযান চলাই নিষিদ্ধ কাংলেই য়াওল কান্না লুপ আৰু কাংলেইপাক কমিউনিষ্ট পার্টিৰ সৈতে জড়িত থকাৰ অভিযোগত তিনিজনক গ্ৰেপ্তাৰ কৰা হৈছে।

প্ৰকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০২



Three held in Manipur for alleged KYKL, KCP links (SOCIAL MEDIA)

ইম্ফল, ১৯ নৱেম্বৰ: মণিপুৰ আৰক্ষীয়ে পৃথক অভিযান চলাই নিষিদ্ধ উগ্ৰপন্থী সংগঠন কাংলেই য়াওল কান্না লুপ আৰু কাংলেইপাক কমিউনিষ্ট পার্টিৰ সৈতে জড়িত থকাৰ অভিযোগত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। ১৮ নৱেম্বৰত ইম্ফল পশ্চিম আৰু ইম্ফল পূব জিলাত এই অভিযান চলোৱা হয়।

খাবিছোইৰ বিশেষ চিডিঅ' ইউনিটৰ এটা দলে ইম্ফল পশ্চিম জিলাৰ পৰা কাংলেই য়াওল কান্না লুপৰ দুজন সন্দেহযুক্ত সক্ৰিয় সদস্যক গ্ৰেপ্তাৰ কৰে। ধৃত দুজন হৈছে হেইনৌপোক ইমা য়ুমজাও লেইৰেম্বিৰ বাসিন্দা ৪০ বছৰীয়া খাৰিবাম জোতিন সিং ওৰফে টাংবা আৰু চাজিং কাৰাম মাখা লেইকাইৰ বাসিন্দা ৩৭ বছৰীয়া লাইশ্ৰাম আনন্দ মেইটেই ওৰফে ছানা।

আনহাতে, বিষ্ণুপুৰ চিডিঅ'ৰ এটা দলে ইম্ফল পূব জিলাৰ মিনুথং হাফিজ হাট্টাৰ পৰা কাংলেইপাক কমিউনিষ্ট পার্টিৰ সৈতে জড়িত থকাৰ অভিযোগত ৪৪ বছৰীয়া আব্দুল ছাফি আনছাৰি ওৰফে মটৰক গ্ৰেপ্তাৰ কৰে।

আৰক্ষীৰ অভিযোগ অনুসৰি, তেওঁ অঞ্চলটোত ধন দাবীৰ কার্যকলাপৰ সৈতে জড়িত আছিল।

ইফালে, ১৭ নৱেম্বৰত থৌবাল চিডিঅ' আৰু য়াইৰিপোক আৰক্ষী থানাৰ যুটীয়া দলে য়াইৰিপোক ফৌডেনত বাহন পৰীক্ষা চলোৱাৰ সময়ত প্রায় ২.১০৭ কিলোগ্রাম সন্দেহযুক্ত ব্রাউন ছুগাৰ জব্দ কৰে। নির্দিষ্ট চোৰাংচোৱা তথ্যৰ ভিত্তিত বাহন পৰীক্ষা চলি থকাৰ সময়ত এখন ই-ৰিক্সা ৰখাই চালকজনে ওচৰৰ আৱাসিক অঞ্চলৰ দিশে পলায়ন কৰে বুলি আৰক্ষীয়ে জনায়।

পাছত ই-ৰিক্সাখনত তালাচী চলাই সন্দেহযুক্ত নিচাজাতীয় সামগ্রীখিনি উদ্ধাৰ কৰা হয়। জব্দ কৰা সামগ্রী আৰু ই-ৰিক্সাখন অধিক তদন্তৰ বাবে য়াইৰিপোক আৰক্ষী থানাত গতাই দিয়া হৈছে। পলাতক চালকজনক চিনাক্ত কৰি গ্রেপ্তাৰৰ বাবে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4395/manipur-kykl-kcp-arrests-brown-sugar